**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-08-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। নেপালৰ বিধবংসী বানৰ পাছত বৰ্তমানলৈকে ১০৮ জন ভাৰতীয় লোকক উদ্ধাৰ। বানত মৃত্যুৰ সংখ্যা ৬৭৫ লৈ বৃদ্ধি।

২। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক আছাম ৰেজিমেণ্ট চেণ্টাৰৰ পৰম্পৰাগত গাওঁবুঢ়া সন্মান প্ৰদান।

৩। আকাশবাণীৰ মন কী বাতত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব প্ৰকাশ।

৪। মটক জনগোষ্ঠীৰ গৌৰৱময় ইতিহাস আৰু সমৃদ্ধ সাংস্কৃতিক পৰম্পৰাই নতুন প্ৰজন্মক অনুপ্ৰাণিত কৰি যাব বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দন সোণোৱালৰ মন্তব্য।

*আৰু*

৫। ডুবাইত অনুষ্ঠিত টি-টুৱেণ্টি এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰতীয় মহিলা দল থাইলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ।

oooooo

নেপালত যোৱা বুধবাৰৰ বিধবংসী বানৰ পাছত বৰ্তমানলৈকে ১০৮ জন ভাৰতীয় লোকক উদ্ধাৰ কৰা হৈছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে পূৰ্বে সন্ধানহীন হৈ থকা প্ৰায় ৫০ জন ভাৰতীয় লোকৰ সৈতে যোগাযোগ কৰিব পৰা গৈছে। মন্ত্ৰালয়ে উল্লেখ কৰা মতে, এতিয়াও ২৭৫ জন ভাৰতীয় লোক সন্ধানহীন হৈ থকাৰ লগতে প্ৰায় ১২৮ জন প্ৰৱাসী ভাৰতীয়ৰ কোনো সন্ধান পোৱা হোৱা নাই।

ইপিনে, নেপালৰ আকস্মিক বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৬৭৫ লৈ বৃদ্ধি পাইছে। বৰষুণ আৰু পুনৰ বানৰ আশংকাৰ মাজতে উদ্ধাৰ অভিযান পূৰ্ণগতিত অব্যাহত আছে। বানৰ ফলত কমেও ৩২০ জন বিদেশী নাগৰিকৰ লগতে প্ৰায় দুহেজাৰ ৪০০ লোক সন্ধানহীন হৈ আছে। এতিয়ালৈকে ২৬১ গৰাকী বিদেশী পৰ্যটককে ধৰি ৪ হাজাৰ ৪০০ৰো অধিক লোকক উদ্ধাৰ আৰু স্থানান্তৰ কৰা হৈছে। নেপাল আৰক্ষীয়ে জনোৱা মতে, ৮ খন জিলাৰ পৰা ৬৭৫টা মৃতদেহ উদ্ধাৰ কৰা হৈছে। ইয়াৰ ভিতৰত চিটৱান, নাৱালপাৰাচী পূৱ আৰু নাৱালপাৰাচী পশ্চিম জিলাত সৰ্বাধিক মৃতদেহ উদ্ধাৰ হৈছে। সৰ্বাধিক ক্ষতিগ্ৰস্ত ৰাছুৱা জিলাৰ কৰ্তৃপক্ষই জনোৱা মতে, বৰষুণ আৰু কুঁৱলীৰ বাবে সাময়িকভাৱে বন্ধ ৰখা উদ্ধাৰ আৰু সাহায্য অভিযান কালি পুনৰ আৰম্ভ হৈছে।

চীনৰ ফালে থকা সীমান্তত ৭ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৫৫০ৰো অধিক লোক সন্ধানহীন হৈ আছে বুলি চীনা কর্তৃপক্ষই প্রকাশ কৰিছে।

ইপিনে, পুনৰ বৰষুণে পৰিস্থিতি জটিল কৰি তুলিছে। ক্রমশঃ প্রতিকূল হ'বলৈ ধৰা বতৰ আৰু ক্ষতিগ্রস্ত আন্তঃগাঁথনিৰ ফলত বানত বেয়াকৈ প্রভাৱিত কোনো কোনো অঞ্চলত উদ্ধাৰ অভিযান চলোৱাত অসুবিধা হোৱাৰ আশংকাই দেখা দিছে।

অসম ৰাজ্যিক দুর্যোগ ব্যৱস্থাপনা প্রাধিকৰণে শেহতীয়াকৈ প্রকাশ কৰা মতে নেপালৰ বানত কালি পশ্চিম কার্বি আংলঙৰ এজন লোক সন্ধানহীন হোৱাৰ তথ্য প্রকাশ হৈছে। নলবাৰী জিলাৰ এজন লোক সন্ধানহীন হৈ থকাৰ পাছতে জিলা প্রশাসনে তাৎক্ষণিক পদক্ষেপ গ্রহণ কৰিছে। ২৬ আগষ্টৰ পূর্বে জিলাখনৰ পৰা নেপাললৈ যোৱা লোকসকলৰ পৰিয়ালক প্রশাসনৰ সৈতে যোগাযোগ কৰি সকলো তথ্য প্রদান কৰিবলৈ আহ্বান জনাইছে। ইতিপূর্বে জিলাখনৰ পৰা সন্ধানহীন হোৱা বুলি প্রকাশ পোৱা দুজন লোক নিৰাপদে আছে বুলি ৰাজ্যিক দুর্যোগ ব্যৱস্থাপনা প্রাধিকৰণৰ তথ্য প্রকাশ পাইছে। বিত্তমন্ত্রী জয়ন্ত মল্লবৰুৱাই কালি টেলিফোনযোগে নেপালৰ বানত সন্ধানহীন নলবাৰীৰ অৰৰাৰ অৰুণ মহন্তৰ পৰিয়ালৰ সৈতে কথা পাতে আৰু অৱস্থাৰ বুজ লয়। মন্ত্রীগৰাকীয়ে লগতে চৰকাৰৰ তৰফৰ পৰা সকলো ধৰণৰ সহায় সহযোগিতাৰ আশ্বাস দিয়ে।

০০০০০০

মুখ্যমন্ত্রী ডঃ হিমন্ত বিশ্ব শর্মাই কালি মেঘালয়ৰ ৰাজধানী শ্বিলঙত আছাম ৰেজিমেণ্টৰ যুদ্ধস্মাৰকস্থলীত দেশ মাতৃৰ সুৰক্ষাৰ হকে সর্বোচ্চ ত্যাগ স্বীকাৰ কৰা বীৰ জোৱানসকলৰ প্রতি শ্রদ্ধাঞ্জলি জ্ঞাপন কৰে। এই উপলক্ষে ডঃ শর্মাই কয়, যে শ্বহীদসকলৰ অদম্য সাহস, বীৰত্ব আৰু আত্মত্যাগে সকলোকে সদায় দেশ সেৱাৰ বাবে অনুপ্রাণিত কৰি যাব। মুখ্যমন্ত্রীগৰাকীয়ে যুদ্ধস্মাৰকত বীৰ শ্বহীদলৈ শ্রদ্ধাঞ্জলি জনোৱাৰ লগতে জোৱানসকলৰ সমৰ কলা কৌশল, কুছ কাৱাজ আৰু অস্ত্র সঞ্চালনৰ শৈলী উপভোগ কৰে। এই ভ্রমণকালত জোৱান তথা সামৰিক পৰিয়ালবর্গৰ সৈতে মুখ্যমন্ত্রীগৰাকীয়ে মত-বিনিময়ো কৰে। আছাম ৰেজিমেণ্ট চেণ্টাৰৰ পৰম্পৰাগত সন্মান গাওঁবুঢ়াৰে মুখ্যমন্ত্রীগৰাকীক এই কার্যসূচীত সন্মানিত কৰা হয়। অসমৰ প্রাক্তন মুখ্যমন্ত্রী বিষ্ণুৰাম মেধী, বিমলা প্রসাদ চলিহাৰ পাছত হিমন্ত বিশ্ব শর্মা আছাম ৰেজিমেণ্টেল চেণ্টাৰত উপস্থিত হোৱা তৃতীয়গৰাকী মুখ্যমন্ত্রী হিচাপে পৰিগণিত হৈছে। এই কার্যসূচীত অংশগ্রহণ কৰি উৎফুল্লিত বুলি মুখ্যমন্ত্রীগৰাকীয়ে প্রকাশ কৰে–

(বাইট-চি এম)

০০০০০০

প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৭ সংখ্যক খণ্ড।

এই অনুষ্ঠান আকাশবাণী-দূৰদর্শনৰ আটাইবোৰ নেটৱর্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্রধানমন্ত্রীৰ কার্যালয়, তথ্য আৰু সম্প্রচাৰ মন্ত্রালয়, আকাশবাণী আৰু দূৰদর্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্রচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্রচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্রচাৰ কৰিব।

০০০০০০

নগাঁও জিলাৰ ১৪ খন গাঁও পুনৰ বানৰ কবলত পৰিছে। ইয়াৰ ফলত জিলাখনত বান ক্ষতিগ্ৰস্ত গাঁৱৰ সংখ্যা ৭১লৈ বৃদ্ধি পাইছে। আমাৰ নগাঁৱৰ সংবাদদাতাই জনোৱা মতে বামুণগাঁও, পুখুৰীপাৰ, টকৌবাৰী, ম'হখুচা, হাতীযুঁজোৱা পথাৰকে ধৰি গাঁওসমূহ প্লাবিত হৈ আছে। চামগুৰি ৰাজহ চক্ৰত এখন আৰু ৰূপহী ৰাজহ চক্ৰত দুখন গাঁও বানৰ কবলৰ পৰিছে। এইপৰ্যন্ত জিলাখনৰ ১৭ হাজাৰ ৯০৪ জন লোক বানত ক্ষতিগ্ৰস্ত হৈছে। তদুপৰি ৫ হাজাৰ ১৮৬ হেক্টৰৰো অধিক কৃষিভূমি বানত বুৰ গৈ আছে।

ইপিনে চুবুৰীয়া ৰাজ্য নাগালেণ্ডত আজিৰে পৰা ২ ছেপ্তেম্বৰ পৰ্যন্ত ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে জাৰি কৰা জাননীৰ পাছতে চৰাইদেউ জিলাত বিশেষ সতৰ্কতা অৱলম্বন কৰা হৈছে। জিলাখনৰ নামনি অঞ্চল, বান প্ৰৱণ এলেকাৰ লগতে প্ৰতিগৰাকী বাসিন্দাক সতৰ্ক হৈ থাকিবলৈ কোৱা হৈছে। ৰাইজক নৈপৰীয়া অঞ্চল, মথাউৰি নাইবা দুৰ্যোগ প্ৰৱণ স্থানসমূহলৈও নাযাবলৈ পৰামৰ্শ দিয়া হৈছে। তদুপৰি কোনোধৰণৰ অপপ্ৰচাৰত পতিয়ন নগৈ প্ৰশাসনৰ নিৰ্দেশনা মানি চলিবলৈ পৰামৰ্শ দিয়া হৈছে। যিকোনো জৰুৰী সাহায্যৰ বাবে ২৪ ঘণ্টাই মুকলি থকা হেল্পলাইন নম্বৰ ৬০০২৬-৭০৫০১ আৰু টোলফ্ৰি নম্বৰ ১০৭৭ত যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে।

০০০০০০

অসমৰ জাতি-জনগোষ্ঠীৰ ঐতিহ্যক সন্মান কৰা তথা বৈচিত্ৰ্যক আদৰ আৰু ঐক্যক শক্তিশালী কৰাই চৰকাৰৰ সংকল্প বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে। ডিব্ৰুগড় জিলাৰ গৰুধৰিয়াত তিনি দিনীয়াকৈ অনুষ্ঠিত সদৌ অসম মটক যুৱ ছাত্ৰ পৰিষদৰ পঞ্চদশ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত অংশ লৈ শ্ৰী সোণোৱালে কালি এইদৰে কয়। মটক জনগোষ্ঠীৰ গৌৰৱময় ইতিহাস আৰু সমৃদ্ধ সাংস্কৃতিক পৰম্পৰাই নতুন প্ৰজন্মক সদায় অনুপ্ৰাণিত কৰি যাব বুলি শ্ৰী সোণোৱালে মন্তব্য কৰে। এই অনুষ্ঠানতে কালি সদিয়াৰ বিধায়ক বলিন চেতিয়াক মটক জনগোষ্ঠীৰ বীৰ পুৰুষ **মতাটুকুৰা বৰুৱা** সমন্বয় বঁটা প্ৰদান কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে  মটক যুৱ ছাত্ৰ পৰিষদৰ এই প্ৰচেষ্টাৰ শলাগ লৈ কয়, যে ৰাজ্যৰ অধিকাংশ লোক এই বীৰ পুৰুষগৰাকীৰ বিষয়ে জ্ঞাত নহয়। **মতাটুকুৰা বৰুৱা**ৰ নামত বঁটা প্ৰদানে তেওঁৰ বীৰত্ব আৰু কৰ্মৰাজীৰ বিষয়ে জনাৰ প্ৰতি মানুহক আগ্ৰহী কৰিব বুলি তেওঁ উল্লেখ কৰে।

***(বাইট ঃ সৰ্বানন্দ)***

অনুষ্ঠানত বিশিষ্ট চিকিৎসক তথা সাহিত্যিক ডাঃ নিৰ্মল চাহেৱালক সুশীল গগৈ স্মাৰক সাহিত্য বঁটা প্ৰদান কৰা হয়।

০০০০০০

আই আই টি গুৱাহাটীৰ এটা গৱেষকৰ দলে ভাৰত চৰকাৰৰ জলশক্তি মন্ত্ৰালয়, খোৱাপানী আৰু অনাময় বিভাগৰ ৰাষ্ট্ৰীয় জলজীৱন মিছনৰ অনুদানেৰে অতি কম খৰছত ভূ-গৰ্ভস্থ পানীৰ পৰা আৰ্ছেনিক আৰু ফ্ল'ৰাইড আঁতৰোৱাত সফল জল পৰিশোধন প্ৰযুক্তি সাজি উলিয়াইছে। এই ব্যৱস্থাৰ জৰিয়তে কেইমিনিটমানৰ ভিতৰতে ভূ-গৰ্ভস্থ আৰ্ছেনিক আৰু ফ্ল'ৰাইড আঁতৰাব পাৰি। আই আই টি গুৱাহাটী অধ্যাপক মিহিৰ কুমাৰ পুৰকাইট আৰু তেওঁৰ দলে চলোৱা গৱেষণাই এই দ্ৰুত আৰু অধিক কাৰ্যক্ষম ব্যৱস্থা প্ৰস্তুত কৰি উলিয়াইছে।

০০০০০০

সমাগত শিলচৰ পৌৰ নিগম নিৰ্বাচনৰ পৰিপ্ৰেক্ষিত অসম ৰাজ্যিক নিৰ্বাচন আয়োগে নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰিব পৰা তাৰকা প্ৰচাৰকৰ সৰ্বাধিক সংখ্যা সন্দৰ্ভত পূৰ্বে জাৰি কৰা জাননীৰ সময়সীমা বৃদ্ধি কৰিছে। উল্লেখযোগ্য যে, ৰাজ্যিক নিৰ্বাচন আয়োগে যোৱা বছৰ ছেপ্তেম্বৰ মাহত এখন জাননী যোগে শিলচৰ পৌৰ নিগম নিৰ্বাচনত বিভিন্ন ৰাজনৈতিক দল সমূহৰ সৰ্বাধিক কেইগৰাকী তাৰকা প্ৰচাৰকে ভাগ ল'ব সেই সন্দৰ্ভত নিৰ্দেশনা জাৰি কৰিছিল। যোৱা বছৰ এই নিৰ্বাচন অনুষ্ঠিত নহ'ল। ইয়াৰ পৰিপ্ৰেক্ষিত আয়োগে কালি এখন জাননী যোগে পূৰ্বৰ এই নিৰ্দেশনাৰ ম্যাদ অনাগত শিলচৰ পৌৰ নিগম নিৰ্বাচনৰ বাবে বৃদ্ধি কৰা হৈছে বুলি প্ৰকাশ কৰিছে। নিৰ্বাচন আয়োগে তাৰকা প্ৰচাৰক সন্দৰ্ভত আন কেইবাটাও নীতি-নিৰ্দেশনা জাৰি কৰিছে। জাননী অনুসৰি স্বীকৃতিপ্ৰাপ্ত ৰাষ্ট্ৰীয় অথবা ৰাজ্যিক ৰাজনৈতিক দলে সৰ্বাধিক ২০ গৰাকী তাৰকা প্ৰচাৰক মনোনীত কৰিব পাৰিব। আনহাতে পঞ্জীয়নভুক্ত কিন্তু অস্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলে সৰ্বাধিক ১০ গৰাকী তাৰকা প্ৰচাৰক মনোনীত কৰিব পাৰিব। নিৰ্বাচনৰ জাননী জাৰি কৰা তাৰিখৰ পৰা ৭ দিনৰ ভিতৰত সংশ্লিষ্ট ৰাজনৈতিক দলসমূহে তেওঁলোকৰ তাৰকা প্ৰচাৰকৰ তালিকা নিৰ্বাচনী কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰিব লাগিব। এই তালিকাৰ এটা প্ৰতিলিপি ৰাজ্যিক নিৰ্বাচন আয়োগকো দাখিল কৰিব লাগিব বুলি জাননী যোগে প্ৰকাশ কৰা হৈছে। তাৰকা প্ৰচাৰকসকলৰ নিৰ্বাচনী প্ৰচাৰৰ বাবে অনুমতি বিচাৰি ৰাজনৈতিক দলসমূহে নিৰ্ধাৰিত প্ৰচাৰ কাৰ্যসূচী আৰম্ভ হোৱাৰ কমেও ৪৮ ঘণ্টা পূৰ্বে জিলা নিৰ্বাচনী কৰ্তৃপক্ষৰ ওচৰত আৱেদন দাখিল কৰিব লাগিব। অসম ৰাজ্যিক নিৰ্বাচন আয়োগে সকলো ৰাজনৈতিক দলকে নিৰ্ধাৰিত সময়সীমা কঠোৰভাৱে পালন কৰিবলৈ আহ্বান জনাইছে। কেন্দ্ৰীয় নিৰ্বাচন আয়োগে অনুমোদন জনোৱা আৰু অসম ৰাজ্যিক নিৰ্বাচন আয়োগে গ্ৰহণ কৰা ব্যৱস্থাৰ সৈতে সংগতি ৰাখি এই নিৰ্দেশনা জাৰি কৰা হৈছে।

০০০০০০

তামুলপুৰৰ জিলা আয়ুক্ত চিমি কৰণৰ অধ্যক্ষতাত কালি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত নিচাযুক্ত দ্ৰব্য নিয়ন্ত্ৰণৰ সৈতে জড়িত জিলা পৰ্যায়ৰ সমিতিৰ মাহেকীয়া বৈঠক অনুষ্ঠিত হয়। বৈঠকত নিচাযুক্ত দ্ৰব্যৰ অবৈধ ব্যৱহাৰ, সৰবৰাহ আৰু বিক্ৰী ৰোধৰ লগতে যুৱ প্ৰজন্মক ইয়াৰ প্ৰভাৱৰ পৰা আঁতৰাই ৰখা, শিক্ষানুষ্ঠানৰ সমীপত নিচাযুক্ত সামগ্ৰীৰ বিক্ৰী ৰোধৰ ক্ষেত্ৰত বিভিন্ন বিভাগে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত আলোচনা কৰা হয়। তদুপৰি বিদ্যালয় আৰু ধৰ্মীয় অনুষ্ঠানৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত সুৰাৰ দোকান থকাৰ বিষয়টোও গুৰুত্ব সহকাৰে আলোচনা কৰা হয়। বৈঠকত জিলা আয়ুক্তই শিক্ষানুষ্ঠানৰ সমীপত নিচাযুক্ত সামগ্ৰীৰ বিক্ৰী বন্ধ কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে। জিলাখনৰ ৩০ খন গাঁৱত কৃষি বিভাগে ভাং আৰু কানিকে ধৰি অন্যান্য নিচাযুক্ত উদ্ভিদৰ খেতিৰ সন্ধানত অভিযান চলোৱা হয় বুলিও জিলা আয়ুক্তক অৱগত কৰে। ইপিনে এছ এছ বিৰ সহযোগত বন বিভাগেও জিলাখনৰ মাজেৰে নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহ ৰোধৰ ক্ষেত্ৰত সতৰ্কতা অৱলম্বন কৰি নিয়মীয়াকৈ তালাচী চলাই থকা হৈছে বুলি জানিবলৈ দিয়ে।

০০০০০০

টি-টুৱেণ্টি এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত ভাৰতীয় মহিলা দলে প্ৰথমখন খেলত থাইলেণ্ডৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব। হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোত স্মৃতি মান্ধানা সহ অধিনায়ক হিচাপে থাকিব। উল্লেখযোগ্য যে, টি-টুৱেণ্টি এছিয়া কাপৰ ইতিহাসত ভাৰতে এতিয়ালৈকে ৫ খনৰ ভিতৰত ৩ খন খেলত খিতাপ জয় কৰি

আটাইতকৈ সফল দল হিচাপে বিবেচিত হৈছে। প্ৰতিযোগিতাত থাইলেণ্ডে যোৰা শুকুৰবাৰে নিজৰ প্ৰথম খেলত হংকং-চীনক পৰাস্ত কৰে। প্ৰতিযোগিতাত মুঠ ৮টা দলৰ ভিতৰত গ্ৰুপ-এত ভাৰত, থাইলেণ্ড, হংকং আৰু পাকিস্তান আছে।

০০০০০০

## News Paper Review

শেহতীয়াকৈ নেপালত হোৱা জলপ্ৰলয়ৰ বিভিন্ন বাতৰিক আজি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। এই বাতৰিক **আমাৰ অসম** কাকতে ১৯টা জলবিদ্যুৎ সুৰংগত প্ৰায় এহেজাৰ শ্ৰমিক জীৱন্তে সমাধিস্থ হোৱাৰ আশংকা এই শিৰোনামৰে প্ৰকাশ কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতে ৫১০০ মিটাৰ উচ্চতাৰ পৰা ৬ লাখ ২০ হাজাৰ বৰ্গকিলোমিটাৰ এলেকাত খহি পৰিছিল হিমবাহ এই শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। **অসমীয়া খবৰ** কাকতে হিমালয়ৰ বুকু ফালি নামিছিল বৰফ-পাথৰৰ সোঁত, ২০ কিলোমিটাৰ জুৰি অকল্পনীয় ধ্বংসলীলা এই শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। **দি আছাম ট্ৰিবিউন**ৰ শিৰোনাম Fresh rainfall warning in Nepal Flood-hit areas। **দৈনিক অসম** কাকতে প্ৰাকৃতিক বিপৰ্যয়ৰ কালৰূপ আকাশৰ ছুনামি শীৰ্ষ শিৰোনামেৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উজবেকিস্তান কিৰগিজস্তান ভ্ৰমণৰ বাতৰিক **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **দৈনিক জনমভূমি** কাকতৰ প্ৰথম পৃষ্ঠাৰ শিৰোনাম- দাম কমিছে অসম-বংগৰ চাহৰ। ভাৰতৰ হিমালয় অঞ্চলৰ প্ৰায় ২০০টা হিমবাহীয় হ্ৰদক অতি বিপদজ্জনক বুলি প্ৰকাশ পোৱা এটা প্ৰতিবেদনৰ বাতৰিকো কাকতখনে প্ৰথম পৃষ্ঠাত স্থান দিছে। **দৈনিক অগ্ৰদূত** কাকতে ৰাজ্যৰ চাহ উদ্যোগৰ বিভিন্ন দিশ সামৰি প্ৰথম পৃষ্ঠাত এটা গুৰুত্বপূৰ্ণ বাতৰি প্ৰকাশ কৰিছে। ড° বৰ্ণালী ডেকাক কেন্দ্ৰীয় চৰকাৰৰ যুটীয়া সচিব ৰূপে নিযুক্তি দিয়াৰ বাতৰিকো আজি কাকতসমূহে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০

ডিব্ৰুগড় জিলাত নাহৰকটীয়া সম জিলা আয়ুক্ত বিৰাজ বৰুৱাই কালি নগাঘাট আয়ুষ্মান আৰোগ্য মন্দিৰ পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ কালছোৱাত তেওঁ স্বাস্থ্যকেন্দ্ৰটোৰ সামগ্ৰীক কাৰ্যকলাপ, ৰোগী সেৱা, ঔষধৰ উপলব্ধতা, পৰিষ্কাৰ-পৰিচ্ছন্নতা, নথি পত্ৰ সংৰক্ষণ আৰু স্বাস্থ্যসেৱাৰ মানসমূহ পৰ্যালোচনা কৰে। আয়ুক্তগৰাকীয়ে জনসাধাৰণক অধিক উন্নত স্বাস্থ্যসেৱা আগবঢ়োৱাৰ লক্ষ্যৰে প্ৰয়োজনীয় পৰামৰ্শ দিয়াৰ লগতে বিভিন্ন নিৰ্দেশনাও প্ৰদান কৰে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

*ঃঃ সমাপ্ত ঃঃ*